জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ১৮৭/২০২০

# ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে মুখ্যমন্ত্ৰীৰ টেলিফোনিক বাৰ্তালাপ

**দিছপুৰ, ১৯ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী বিশিষ্ট ব্যক্তিৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে সাম্প্ৰতিক লক্-ডাউনৰ সময়ছোৱাত তেওঁলোকৰ মনোবল অটুট ৰখাৰ দিশত প্ৰেৰণা যোগায়।

বিশিষ্ট লোক সংস্কৃতিৰ সাধক ড° বীৰেন্দ্ৰ নাথ দত্ত, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান নিশিনাথ চাংকাকতি, বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° কুলেন্দু পাঠক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ভৱেন ডেকা, সাহিত্যিক ড° বিমল ফুকন, বিশিষ্ট শিশু সাহিত্যিক গগণ চন্দ্ৰ অধিকাৰী, প্ৰাক্তন ডি আই জি হিৰণ্য ভট্ট প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে আজি টেলিফোনযোগে মুখ্যমন্ত্ৰীয়ে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ৰাজ্য চৰকাৰে যথাসম্ভৱ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু অসমে এই ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সাজু হৈ আছে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে বিশিষ্ট শিল্পী জুবিন গাৰ্গ আৰু অংগৰাগ মহন্ত (পাপন) ৰ সৈতেও আজি টেলিফোনযোগে বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰে।

**স্বাঃডেঃ / পুঃডেঃ / বঃভাঃ**
**১৯/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in